# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 27-01-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

::::::::::::::::::

## HEADLINES

১। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজৰ যাতায়াতৰ দূৰত্ব ৫ ঘণ্টালৈ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে বিকল্প পথ নিৰ্মাণৰ চিন্তা কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। পথৰুঘাটৰ কৃষক ছহিদ বাকৰিত ছহিদ দিৱস পালন। বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে মুকলি কৰিব বিশেষ ডাক টিকট।

৩। কোকৰাঝাৰত দুদিনীয়া কাৰ্যসূচীৰে বিটিআৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উদযাপন।

**আৰু**

৪। বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰি আই চি চি ১৯ বছৰ অনুৰ্ধ মহিলা টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলত ভাৰত।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বিয়লি ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ সন্মুখৰ মানকাটা পথত আয়োজিত কাৰ্যসূচীত ৪ খন উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰে। ১৫৮ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া আমোলাপট্টী চাৰিআলি উৰণ সেতু, ৮৪ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া মানকটা পথ উৰুণ সেতু, ৭২ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া লাহোৱাল-বৰডুবি-তিনিচুকীয়া পথ আৰু ৩৭ নম্বৰ পুৰণি ঘাইপথৰ সংযোগস্থল উৰণ সেতু, ৬২ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া লেজাই কলাখোৱা পথ উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰি তেওঁ ৰাজ্য চৰকাৰে ডিব্ৰুগড় জিলাৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ বাবে বিভিন্ন কাৰ্যব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি প্ৰকাশ কৰে। ডিব্ৰুগড়ত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সন্দৰ্ভত লোৱা সিদ্ধান্ত বাস্তৱায়িত কৰাৰ দিশত এয়া বৃহৎ পদক্ষেপ বুলিও তেওঁ কয়। ডিব্ৰুগড় চহৰৰ যান-জঁটৰ সমস্যা হ্ৰাস কৰাৰ লক্ষ্যৰে লোকনিৰ্মাণ বিভাগে আমোলাপট্টী দিশৰ কনভয় ৰোড আৰু ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগস্থলত নিৰ্মাণ কৰা উৰণ সেতুখনৰ কাম ইতিমধ্যে ৮৩ শতাংশ সম্পূৰ্ণ হোৱা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰিছে। যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথৰ কাম দ্ৰুতগতিত চলি থকাৰ কথা উল্লেখ কৰি ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই কাম সম্পূৰ্ণ হৈ উঠিব বুলি মন্তব্য কৰিছে। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজৰ যাতায়াতৰ দূৰত্ব ৮ ঘণ্টাৰ পৰা ৫ ঘণ্টালৈ হ্ৰাস কৰাৰ বাবে এটা বিকল্প পথ নিৰ্মাণৰ বিষয়ে ৰাজ্য চৰকাৰে বিবেচনা কৰি থকা বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে। ২০২৭ চনত অসম বিধানসভাৰ অধিৱেশন ডিব্ৰুগড়ত অনুষ্ঠিত হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে এই উদ্দেশ্যে আন্তঃগাঁথনি উন্নীতকৰণ, বিধায়কৰ আৱাসগৃহ

নিৰ্মাণ, অসম বিধানসভাৰ কাৰ্যালয়, মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ সম্প্ৰসাৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি ডিব্ৰুগড়ৰ বিশিষ্ট নাগৰিকসকলৰ সৈতে এখন চাহ মেলতো অংশ লয়। আজি তেওঁ ধেমাজি জিলাৰ জোনাই সম-জিলাৰ উন্নয়ন কাম-কাজ সম্পৰ্কে পৰ্যালোচনা কৰি বিবেকানন্দ কেন্দ্ৰৰ আনন্দলয়া ভৱনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ইপিনে সংযুক্ত টাই জনগোষ্ঠীয় সামাজিক সাংস্কৃতিক সংঘৰ উদ্যোগত কালি টেঙাখাতৰ লাঙি গদাপানী ক্ষেত্ৰত আয়োজিত তৃতীয় টাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ আৰু প্ৰথম আন্তঃৰাষ্ট্ৰীয় টাই মহোৎসৱত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই টাই আহোম, টাই খামতি, টাই খাময়াং, টাই ফাকে, টাই তুৰু আৰু টাই আইটন উপজাতিৰ সমষ্টি টাই জনগোষ্ঠীয়ে বৃহত্তৰ অসমীয়া ভাষা-কৃষ্টি, সংস্কৃতি গঢ় লোৱাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে বুলি কয়। বৃহত্তৰ অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত টাই-আহোমসকলৰ কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰাৰ প্ৰভাৱ সবাতোকৈ বেছি বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰংঘৰ প্ৰকল্প, শিৱসাগৰৰ টাই আহোম সংগ্ৰহালয়, যোৰহাটাৰ চ্যুকাফা সমন্বয় ক্ষেত্ৰত সংগ্ৰহালয় নিৰ্মাণৰ কথাও সদৰি কৰিছে। টিপামত চ্যুকাফাৰ সু-উচ্চ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ কয়।

**ৰাইট (চি এম)**

ooooo

পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত কৃষক ছহিদ দিৱসৰ অংশ হিচাপে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি পাথৰিঘাটৰ কৃষক ছহিদ বাকৰিত কিছু সময়ৰ পাছতে **পথৰুঘাটে ৰিঙিয়ায়** শীৰ্ষক প্ৰাইজমাণি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আজিৰ দিনটোৰ অন্যান্য কাৰ্যসূচীত কৃষক ছহিদ প্ৰকল্পত শীততাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ উদ্বোধন, কৃষি মেলা উদ্বোধন, কৃষক বিদ্ৰোহ বিষয়ৰ গ্ৰন্থ, স্মৰণিকা, আলোকচিত্ৰ ইত্যাদিৰ প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰা হ'ব। তদুপৰি প্ৰবীণ লোকশিল্পীসকলৰ সন্মিলন আৰু শিল্পী পেন্সন প্ৰাপকসকলক সম্বৰ্ধনা জনোৱাকে ধৰি আন বিভিন্ন কাৰ্যসূচীও আজি ৰূপায়ণ কৰা হ'ব।

কাইলৈ তৃতীয় তথা অন্তিম দিনটোত পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ পাছত দিনৰ চাৰে ১১ বজাত মুকলি সভাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া এই সভাত কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকটো কাইলৈৰ মুকলি সভাতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কাইলৈ সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে বুলি আকাশবাণীৰ দৰঙৰ সংবাদদাতাই জানিবলৈ দিছে।

উল্লেখযোগ্য যে ব্ৰিটিছ শাসকে বৰ্ধিত হাৰত অন্যায়ভাৱে মাটিৰ খাজনা আৰোপ কৰাৰ বিৰুদ্ধে নিৰস্ত্ৰ প্ৰতিবাদ কৰিবলৈ গৈ ১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ১৪০ গৰাকী কৃষক ছহিদে আৰক্ষীৰ

গুলীত প্ৰাণ হেৰুৱাইছিল। এই কৃষক ছহিদসকলৰ স্মৃতিত প্ৰতি বছৰে কৃষক ছহিদ দিৱস পালন কৰি অহা হৈছে।

তিনিদিনীয়াকৈ আয়োজিত কৃষক ছহিদ দিৱসৰ প্ৰথম দিনটোৰ কাৰ্যসূচীত কালি ছিপাঝাৰ ব্যাসপাৰা গাঁৱত কৃষক ছহিদ আৰু স্বাধীনতা সংগ্ৰামৰ স্থানীয় মুক্তি যুঁজাৰু পৰিয়ালৰ সদস্যসকলক সম্বৰ্ধনা জনোৱাৰ লগতে অন্তৰংগ আলাপ অনুষ্ঠিত হয়। এই অনুষ্ঠানতে **ভাৰতৰ স্বাধীনতা আন্দোলনত দৰঙীয়াৰ অৱদান আৰু পথৰুঘাটৰ ৰণ** শীৰ্ষক বক্তৃতানুষ্ঠানত জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাসে বক্তা হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

ৰাষ্ট্ৰীয় একতা যাত্ৰাৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ ২৪০ গৰাকী ছাত্ৰ-ছাত্ৰী শৈক্ষিক ভ্ৰমণৰ উদ্দেশ্যে ভাৰতৰ বিভিন্ন প্ৰান্তত উপস্থিত হৈছে। মুঠ ৮টা দলত ভাগ কৰা জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ এই গোটটো যোৱা ২৩ জানুৱাৰীৰ পৰা অহা ১২ ফেব্ৰুৱাৰীলৈ ভাৰতৰ বিভিন্ন প্ৰান্তত শৈক্ষিক ভ্ৰমণ সামৰি গুৱাহাটীত উপস্থিত হ'বহি। উল্লেখযোগ্য যে উত্তৰ পূৰ্বাঞ্চল আৰু ভাৰতৰ অন্যান্য ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ মাজৰ সম্পৰ্ক দৃঢ় কৰি তোলাৰ লগতে অভিজ্ঞতা আৰু সাংস্কৃতিক বিনিময়ৰ উদ্দেশ্যে ১৯৬৪ চনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে আন্তঃৰাজ্য ছাত্ৰ জীৱনদৰ্শন অৰ্থাৎ **ছেইল** কাৰ্যক্ৰম আৰম্ভ কৰিছিল। এই ছেইল কাৰ্যক্ৰমৰ অধীনতে শৈক্ষিক ভ্ৰমণলৈ যোৱা উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে কালি বিহাৰৰ ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু ওড়িশাৰ ৰাজ্যপাল হৰি বাবু কম্ভমপতিক সাক্ষাৎ কৰে। শৈক্ষিক ভ্ৰমণ সামৰি গুৱাহাটীত উপস্থিত হ'বলগীয়া দলটোৱে অহা ১৩ ফেব্ৰুৱাৰীত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ছেইল কাৰ্যক্ৰমৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০

কোকৰাঝাৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উদযাপনৰ আয়োজন কৰা হৈছে। বড়োলেণ্ড আঞ্চলিক পৰিষদ, বি টি চিৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৱা চাৰে ৯ বজাত শান্তি, সম্পৃতি আৰু সংহতিৰ উদ্দেশ্যে এটা মটৰচাইকেল সমদল উলিওৱা হ'ব। এই সমদলটোৱে বি টি আৰ এলেকাৰ প্ৰতিটো পৰিষদীয় সমষ্টিক সামৰি ল'ব বুলি আকাশবাণীৰ কোকৰাঝাৰৰ সংবাদদাতাই জানিবলৈ দিছে। আজি বিয়লিৰ ভাগত বডোফা সাংস্কৃতিক প্ৰকল্পত বড়োলেণ্ড এচিভাৰ্চ এৱাৰ্ড সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত অঞ্চলটোৰ উন্নয়নৰ প্ৰতি বিশেষ বৰঙণি আগবঢ়োৱা বিভিন্ন বিভাগৰ সৈতে জড়িত ৮৫ গৰাকী ব্যক্তিৰ লগতে আন ৫৬ গৰাকী ব্যক্তিক স্বীকৃতি প্ৰদান কৰি সন্মান জনোৱা হ'ব।

কাইলৈ দ্বিতীয় দিনটোত কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে তেওঁ হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চিৰ কাৰ্যবাহী সদস্য আৰু এম চি এল এ সকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰিব।

০০০০০

অসম সাহিত্য সভাৰ সপ্ত-সপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনত নিৰ্মাণ কৰা এটা জাপিয়ে বিশ্ব অভিলেখ গঢ়াৰ সম্ভাৱনা আছে। উদ্যোক্তাসকলে ৮৭ ফুট ওখকৈ নিৰ্মাণ কৰি উলিওৱা জাপিটো গীণিজ বুক অৱ ৰেকৰ্ডছ, ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ আৰু অসম বুক অৱ ৰেকৰ্ডছত অন্তৰ্ভুক্ত হোৱাৰ আশা প্ৰকাশ কৰিছে।

অধিৱেশনখনৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰৰ পৰা সবিশেষ জানো আহক—

**ভইচ (দামোদৰ তালুকদাৰ)**

০০০০০

শিৱসাগৰৰ ৰংপুৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত আজি আৰু কাইলৈ সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত হ'ব। সাধাৰণ সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫ হাজাৰৰো অধিক ছাত্ৰ প্ৰতিনিধি, বিশিষ্ট ব্যক্তি, শিল্পী, কলা-কুশলীয়ে অংশগ্ৰহণ কৰিব। জিলাখনৰ ঐতিহ্য-পৰম্পৰাক পৰিকল্পিতৰূপত উপস্থাপন কৰাৰ উদ্দেশ্যে তলাতল ঘৰৰ বাকৰিৰ মূল মণ্ডপৰ সন্মুখত চৰাইদেউৰ এটা প্ৰতীকি মৈদাম নিৰ্মাণ কৰা হৈছে। এই প্ৰতীকি মৈদামৰ মাজেৰেই সাধাৰণ সভাৰ অতিথি-প্ৰতিনিধি আৰু অন্যান্য লোক প্ৰৱেশ কৰিব। অতিথিয়ে জিৰণি ল'বৰ বাবে ৰংঘৰৰ আৰ্হিত এটা অতিথিশালা নিৰ্মাণ কৰা হৈছে। সেই স্থানতে আছুৰ প্ৰতীক তথা গুলীবিদ্ধ ছহীদৰ প্ৰতিমূৰ্তিৰে এটা বিশাল আকাৰৰ ছহিদ বেদী স্থাপন কৰা হ'ব। লগতে শৰাইঘাটৰ ৰণ, পলু বগাই থকা চোমনীবাৰী আৰু জয়মতীৰ আত্মত্যাগৰ দৃশ্য উপস্থাপনৰ ব্যৱস্থা কৰা হৈছে। সভা-সমিতি অনুষ্ঠিত কৰাৰ বাবে ৩০ হাজাৰ বৰ্গফুটৰ এটা মণ্ডপ নিৰ্মাণ কৰা হৈছে। পৰাগধৰ চলিহা ষ্টেডিয়ামত নিৰ্মাণ কৰা বিশাল ভোজন গৃহত একেলগে ৫ হাজাৰ লোকে খাদ্য গ্ৰহণ কৰিব পাৰিব। সাধাৰণ সভাৰ লগত সংগতি ৰাখি হ'বলগীয়া গ্ৰন্থমেলাত অসমৰ লগতে দেশৰ কেইবাটাও আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। সাধাৰণ সভাৰ দ্বিতীয় দিনা ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিক প্ৰতিফলিত কৰি বিশাল শোভাযাত্ৰা উলিওৱা হ'ব।

০০০০০

কাৰ্বি আংলং জিলাৰ বকলিয়াত অনুষ্ঠিত ৩৩ সংখ্যক কাৰ্বি লামমেত আমেই অৰ্থাৎ কাৰ্বি সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। যোৱা ২৪ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই অধিৱেশনৰ সামৰণি অনুষ্ঠানত ৰাইজৰ অংশগ্ৰহণৰ সুবিধাৰ্থে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে আজি জিলাখনৰ শিক্ষানুষ্ঠান তথা সকলো চৰকাৰী কাৰ্যালয় বন্ধ ঘোষণা কৰিছে। চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কাৰ্বি সাহিত্য সভাৰ এই বাৰ্ষিক অধিৱেশনত কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। কাৰ্বি আংলঙৰ ১৩৩খন শাখা সভাৰ প্ৰতিনিধিয়ে এই অধিৱেশনত অংশগ্ৰহণ কৰে বুলি কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লীলাধৰ তেৰনে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০০

উজনি মাজুলীবাসী তথা নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চৰ উদ্যোগত উজনি মাজুলীত কালিৰে পৰা দুদিনীয়াকৈ নাট সমাৰোহ অনুষ্ঠিত হৈছে। নাট সমাৰোহৰ কালি প্ৰথম দিনাৰ কাৰ্যসূচীত ৰূপকোঁৱৰ

জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত **ৰূপালীম** নাটখন নৰ্থ-ইষ্ট থিয়েটাৰ একাডেমীয়ে মঞ্চস্থ কৰে। আজি সন্ধিয়া অসীম কুমাৰ নাথৰ পৰিচালনাত মাণিক সোণোৱালৰ নাট **বগলী বগা ফোঁট দি যা** মঞ্চস্থ কৰা হ'ব।

০০০০০

গুৱাহাটীৰ মাছখোৱাত থকা প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ সভাকক্ষত আজি বিয়লি গীতিকাৰ কীৰ্তিকমল ভূঞা অভিনন্দ সমিতিয়ে এটি অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে। বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞাৰ গীতি সাধনাৰ সাতটা দশক উপলক্ষে **বাজি থাক বাঁহীটি অ'** শীৰ্ষক এই অভিনন্দন অনুষ্ঠানটিৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটিত সুলেখক, আবৃত্তিকাৰ ড০ অমৰজ্যোতি চৌধুৰী আৰু গায়িকা তথা অধ্যাপিকা মৃদুলা দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

ভাৰত আই চি চি ১৯ বছৰ অনূৰ্ধ মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কুৱালালামপুৰৰ বায়ুএমাছ অ'ভেল ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰি ভাৰতে ছেমি ফাইনেলত স্থান সুনিশ্চিত কৰে। ভাৰতে টচত জিকি প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনোৱা বাংলাদেশে নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ৬৪ ৰা ণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত গোনগাড়ী তৃষাৰ ৪০ ৰাণৰ সহায়ত ভাৰত মাত্ৰ ৭ অভাৰ আৰু এটা বলত দুটা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। ৪ অভাৰত ১৫ ৰাণ দি ৩টা উইকেট দখল কৰা ভাৰতৰ বৈষ্ণৱী শৰ্মাক খেলৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত কৰা হয়।

ভাৰত কাইলৈ ছুপাৰ ছিক্সৰ নিজৰ অন্তিমখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ প্ৰতিযোগিতাৰ কালিৰএখন খেলত মুম্বাই চি টী ফুটবল ক্লাবে মহম্মেদান স্পৰ্টছ ক্লাবক ৩-০ গ'লত পৰাস্ত কৰে। মুম্বাই ফুটবল এৰেনাত অনুষ্ঠিত খেলখনত মুম্বাইৰ হৈ গৌৰৱ বৰা অ' জি , ললিয়ানজুৱালা ছাংটে আৰু থায়েৰ ক্ৰৌমাই প্ৰথমাৰ্ধৰ প্ৰথম ১১ মিনিটতেই এটাকৈ গ'ল কৰে।

ইপিনে আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত বেংগালুৰু ফুটবল ক্লাব-মোহন বাগান ছুপাৰ জায়েন্টৰ মুখামুখী হ'ব। খেলখন সন্ধিয়া চাৰে ৭বজাত আৰম্ভ হ'ব। নিজৰ শেহতীয়া সাতোখন খেলত জয়ী হৈ মোহন বাগান সম্প্ৰতি পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল আজি পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে ঘন কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০

সমাপ্ত